SPM IAS ACADEMY
SHAPING BRILLIANCE

GENERAL STUDIES—IV

(Paper—5)

Full Marks : 250

Time : 3 hours

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are **NINETEEN** questions printed in **ENGLISH** and **ASSAMESE**.

All questions are compulsory.

The answers must be written in the medium or language (English/Assamese) of the candidate's choice. Answer should be written in the space as per the question provided. Multiple languages in the same answer scripts WILL NOT BE EVALUATED.

The number of marks carried by a question and word limit are indicated against it.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

SPM IAS ACADEMY
SHAPING BRILLIANCE

Section—A

1. "I could compensate for a lack of natural aptitude with diligence and discipline." (*Nelson Mandela*)

Explain this statement to justify why the right attitude is more important for success than natural aptitude. (Answer in *150* words) 10

''স্বাভাৱিক যোগ্যতাৰ অভাৱৰ ক্ষতিপূৰণ মই অধ্যৱসায় আৰু অনুশাসনেৰে কৰিব পাৰিলোঁ।'' (*নেলছন মেণ্ডেলা*)

সফলতাৰ বাবে স্বাভাৱিক যোগ্যতাতকৈ সঠিক মনোভাব কিয় অধিক গুৰুত্বপূৰ্ণ—ইয়াক ন্যায্যতা প্ৰদান কৰিবলৈ এই কথাষাৰক ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. Problem-solving is often perceived as an innate ability, with some people believed to process it naturally while others do not. However, the civil services demand strong analytical thinking, sound judgment, and effective problem-solving skills.

Describe a challenging situation you have faced in your personal, academic or professional life. How did you approach the problem, what steps did you take to resolve it, and what lessons did you learn from the experience? (Answer in *150* words) 10

সমস্যা সমাধানক প্ৰায়ে জন্মগত ক্ষমতা হিচাপে ধৰা হয়, কিছুমান মানুহে ইয়াক স্বাভাৱিকভাৱে প্ৰক্ৰিয়াকৰণ কৰে বুলি বিশ্বাস কৰা হয় আনহাতে কিছুমানে নকৰে। কিন্তু অসামৰিক সেৱাসমূহে শক্তিশালী বিশ্লেষণাত্মক চিন্তাধাৰা, সুস্থ বিচাৰ আৰু ফলপ্ৰসূ সমস্যা-সমাধানৰ দক্ষতাৰ প্ৰয়োজন বোধ কৰে।

আপোনাৰ ব্যক্তিগত, শৈক্ষিক বা পেছাদাৰী জীৱনত সন্মুখীন হোৱা এক প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ বৰ্ণনা কৰক। আপুনি সমস্যাটোৰ কাষ কিদৰে চাপিছিল, ইয়াৰ সমাধানৰ বাবে কি পদক্ষেপ লৈছিল আৰু এই অভিজ্ঞতাৰ পৰা কি কি শিক্ষা লাভ কৰিছিল? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

3. "That government is the best which governs least." What do you understand by this statement of Henry David Thoreau? Explain. (Answer in *150* words) 10

''সেই চৰকাৰ আটাইতকৈ ভাল যি আটাইতকৈ কম শাসন কৰে।'' হেনৰী ডেভিদ থোৰোৰ এই বক্তব্যৰ দ্বাৰা আপুনি কি বুজি পায়? ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. Some people do their duty sincerely, but remain aloof not only from the society but also from colleagues. Some others not only do their assigned duty well, but also remain in constant touch with their colleagues and the society. Discuss these two aspects of human behaviour in the context of public service. (Answer in *150* words) 10

কিছুমান মানুহে নিজৰ কৰ্তব্য আন্তৰিকতাৰে পালন কৰে, কিন্তু কেৱল সমাজৰ পৰাই নহয় সহকৰ্মীৰ পৰাও আঁতৰি থাকে। আন কিছুমানে নিজৰ নিৰ্ধাৰিত কৰ্তব্য ভালদৰে পালন কৰাই নহয়, সহকৰ্মী আৰু সমাজৰ সৈতেও অহৰহ যোগাযোগত থাকে। জনসেৱাৰ প্ৰেক্ষাপটত মানুহৰ আচৰণৰ এই দুটা দিশৰ বিষয়ে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

5. In the wake of Cockroach Janata Party's protest at Jantar Mantar in July 2026, the Lok Sabha passed the Public Examinations (Prevention of Unfair Means) Amendment Bill, 2026. What are the amendments? Why did the provisions of the original Act of 2024 fail to prevent unfair means? Will things improve now? (Answer in *150* words) 10

যন্তৰ মন্তৰত ককৰোচ জনতা পাৰ্টিৰ প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত ২০২৬ চনৰ জুলাই মাহত লোকসভাই ৰাজহুৱা পৰীক্ষা (অন্যায় উপায় প্ৰতিৰোধ) সংশোধনী বিধেয়ক, ২০২৬ গ্ৰহণ কৰিলে। এই সংশোধনীসমূহৰ মূল বিষয়কেইটা কি কি? ২০২৪ চনৰ মূল আইনখনৰ বিধানে অন্যায় উপায় ৰোধ কৰাত কিয় ব্যৰ্থ হ'ল? এতিয়া পৰিস্থিতি উন্নত হ'ব বুলি ভাবেনে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. Name any two great administrators of India and state the core values, each is remembered for, even today. (Answer in *150* words) 10

ভাৰতৰ যিকোনো দুজন মহান প্ৰশাসকৰ নাম উল্লেখ কৰক আৰু প্ৰত্যেকজনকে কি মূল মূল্যবোধৰ বাবে আজিও স্মৰণ কৰা হয়, উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. What ethical lesson can be drawn from the life of Rani Gaidinliu for public servants working in tribal regions? Explain. (Answer in *150* words) 10

জনজাতীয় অঞ্চলত কৰ্মৰত চৰকাৰী কৰ্মচাৰীৰ বাবে ৰাণী গাইডিনলিউৰ জীৱনৰ পৰা কি নৈতিক শিক্ষা ল'ব পাৰি? ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

8. What is meant by 'constitutional morality', and who is credited with popularising this concept in the Indian context? Explain. (Answer in *150* words) 10

'সাংবিধানিক নৈতিকতা' বুলিলে কি বুজোৱা হয়, আৰু ভাৰতীয় প্ৰেক্ষাপটত এই ধাৰণাটোক জনপ্ৰিয় কৰাৰ কৃতিত্ব কাক দিয়া হয়? ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

9. How do you see the ongoing conflict in the Strait of Hormuz and its bad effects in terms of the ethics in international relationship? (Answer in *150* words) 10

হৰমুজ প্ৰণালীত বৰ্তমানে চলি থকা সংঘাত আৰু ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ নৈতিকতাৰ ওপৰত পৰা কুপ্ৰভাৱৰ সম্পৰ্কে পৰ্যালোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

10. As an officer, you report corruption in Orunodoi scheme beneficiary list to higher authorities. Already you have been transferred thrice in a year for your non-compromising attitude so far as corruption is concerned. You have been advised by your colleagues to stay quiet.

(a) Identify the ethical dilemmas.

(b) How does 'doctrine of pleasure' create fear?

(c) What are the safeguards, including that under Articles 310 and 311 of the Indian Constitution?

(Explain in *150* words) 10

এজন বিষয়া হিচাপে আপুনি অৰুণোদই আঁচনিৰ হিতাধিকাৰী তালিকাত দুৰ্নীতি থকাৰ বিষয়ে উচ্চ কৰ্তৃপক্ষক জনাই দিয়ে। ইতিমধ্যে দুৰ্নীতিৰ ক্ষেত্ৰত আপোনাৰ আপোচবিহীন মনোভাবৰ বাবে আপুনি বছৰত তিনিবাৰকৈ বদলি হৈছে। সহকৰ্মীসকলে আপোনাক মনে মনে থাকিবলৈ পৰামৰ্শ দিছে।

(ক) নৈতিক দ্বিধাদ্বন্দ্ব চিনাক্ত কৰক।

(খ) 'আনন্দৰ মতবাদ'-এ কেনেকৈ ভয়ৰ সৃষ্টি কৰে?

(গ) ভাৰতীয় সংবিধানৰ ৩১০ আৰু ৩১১ অনুচ্ছেদৰ অধীনত থকা সুৰক্ষাকে ধৰি কি কি সুৰক্ষা ব্যৱস্থা এই ক্ষেত্ৰত আছে?

(১৫০টা শব্দৰ ভিতৰত ব্যাখ্যা কৰক)

11. What are the core components of a Citizen's Charter? How far does Citizen's Charter help in simplifying and enhancing the quality of public service delivery in government? Elaborate. (Answer in *150* words) 10

নাগৰিক চনদৰ মূল উপাদানসমূহ কি কি? চৰকাৰত জনসেৱা প্ৰদানৰ মান সৰল কৰাত আৰু ইয়াৰ উন্নতিসাধনত নাগৰিক চনদে কিমানখিনি সহায় কৰে? বিশদভাৱে লিখক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

12. What foundational value is most tested when an officer must implement an unpopular but legally sound policy? (Answer in *150* words) 10

যেতিয়া এজন বিষয়াই অজনপ্ৰিয় কিন্তু আইনগতভাৱে সুস্থ নীতি ৰূপায়ণ কৰিবলগীয়া হয়, তেতিয়া কি মৌলিক মূল্য আটাইতকৈ বেছি পৰীক্ষা কৰা হয়? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

13. Explain the philosophical idea of 'Rajadharma' as a basis of probity. (Answer in *150* words) 10

নৈতিক নিষ্ঠা (probity)ৰ ভিত্তি হিচাপে 'ৰাজধৰ্ম'ৰ দাৰ্শনিক ধাৰণাটো ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

Section—B

14. The Jan Sunwai or public hearing that emerged in response to demand for minimum wages in public works programmes by Mazdoor Kisan Shakti Sangathan (MKSS) in rural Rajasthan was the forerunner for emergence of social audit in India.

(a) Examine how social audit has expanded in India since that moment.

(b) What are the key principles of social audit?

(c) What is the significance of social audit? Refer to two good practices.

(d) What are the challenges to social audit and measures you suggest to improve social audit?

(Answer in *250* words) 20

ৰাজস্থানৰ গ্ৰাম্য অঞ্চলত মজদুৰ কিষাণ শক্তি সংগঠন (এম.কে.এছ.এছ.)ৰ ৰাজহুৱা কামৰ কাৰ্যসূচীত ন্যূনতম মজুৰিৰ দাবীৰ প্ৰতি সঁহাৰি জনাই যি 'জনশুনৱায়ী' বা ৰাজহুৱা শুনানিৰ দাবী উত্থাপন কৰা হৈছিল, সেইটোৱেই আছিল ভাৰতত সামাজিক নিৰীক্ষণ (চচিয়েল অডিট)ৰ উত্থানৰ পূৰ্বসূৰী।

(ক) সেই মুহূৰ্তৰ পৰা ভাৰতত সামাজিক নিৰীক্ষণ কেনেকৈ সম্প্ৰসাৰিত হৈছে, পৰীক্ষা কৰক।

(খ) সামাজিক নিৰীক্ষণৰ মূল নীতিসমূহ কি কি?

(গ) সামাজিক নিৰীক্ষণৰ তাৎপৰ্য কি? দুটা ভাল পদ্ধতিৰ কথা উল্লেখ কৰক।

(ঘ) সামাজিক নিৰীক্ষণৰ ক্ষেত্ৰত কি কি প্ৰত্যাহ্বান আছে আৰু সামাজিক নিৰীক্ষণৰ উন্নতিৰ বাবে আপুনি কি পৰামৰ্শ আগবঢ়াব?

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

15. With the advent of the Internet, the Web, mobile devices, smart televisions and Artificial Intelligence into our daily lives, can it be held that the age-old and time-honoured relationships between children and parents do not exist anymore? Is parenting, therefore, a useless exercise with the forces of technology taking the upper hand? Is there any need to bar under-16 children from having any account in social media platforms as is done in Australia? But will not that action deprive our children from the useful aspects of social media? Elaborate. (Answer in *250* words) 20

ইণ্টাৰনেট, ৱেব, মোবাইল ডিভাইচ, স্মাৰ্ট টেলিভিছন আৰু কৃত্ৰিম বুদ্ধিমত্তা আমাৰ দৈনন্দিন জীৱনত প্ৰৱেশ কৰাৰ লগে লগে শিশু আৰু অভিভাৱকৰ মাজৰ যুগ-যুগান্তৰৰ সন্মানিত সম্পৰ্কটো এতিয়া আৰু অস্তিত্বত নাই বুলি ক'ব পাৰিনে? প্ৰযুক্তিৰ শক্তিয়ে প্ৰাধান্য লাভ কৰাৰ ফলত অভিভাৱকত্ব এক নিষ্ফল অনুশীলনত পৰিণত হৈছে নেকি? অষ্ট্ৰেলীয়াত ১৬ৰ অনূৰ্ধ্ব ছাত্ৰ-ছাত্ৰীৰ বাবে সামাজিক মাধ্যম বাৰণ কৰাৰ দৰে ব্যৱস্থা ইয়াতো প্ৰৱৰ্তন কৰা উচিত নেকি? কিন্তু তেনে কৰিলে সামাজিক মাধ্যমৰ উপযোগিতাৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত নহ'বনে? বিশদভাৱে ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

16. The Executive Officer (EO) of a Municipal Board is an avid fan of football. A Ward Commissioner of the Municipal Board indicated to the EO that he had a free VIP ticket for the final match of a reputed football tournament in the neighbouring town and invited him to attend the match. Being an avid fan, he readily accepted the invitation. When the EO arrived in the stadium, he was welcomed by the Ward Commissioner and a local businessman. The Ward Commissioner informed that the businessman was one of the sponsors of the tournament and it was due to which generosity he has received the free VIP ticket. The Municipal Board was negotiating a new contract on integrated waste disposal system for the town with the businessman. The EO felt especially uncomfortable when the businessman sat next to him as a number of citizens from his town were present in the match as spectators. In an attempt to be clear that this was a social event, not an opportunity to talk business, the EO announced to both the Ward Commissioner and to the businessman that he had absolutely no plans to talk about the contract or any other issues associated with the city. Even with that said, he found himself in the middle of a wide-ranging discussion of the new innovation in mechanization of waste disposal that skirted on the city's own waste disposal system. At the end of the game, the EO hurried home and wrote a letter to the Ward Commissioner asking for the cost of the ticket so that he could reimburse the businessman. The Ward Commissioner responded that there was no cost—it was a free ticket that was part of the privilege received by the businessman as a sponsor. The EO felt betrayed by the Ward Commissioner for setting him up with the businessman and frustrated that his attempt to pay for the ticket was thwarted.

(a) Should the EO have left the game as soon as he found out where he was sitting during the match?

(b) What are the ethical issues that the EO confronted?

(c) How should he now proceed to redeem the situation and establish public trust?

(Explain in *250* words) 20

SPM IAS ACADEMY
SHAPING BRILLIANCE

পৌৰসভাৰ ব'ৰ্ডৰ কাৰ্যবাহী বিষয়া (ইঅ') ফুটবলৰ এজন উৎসুক অনুৰাগী। পৌৰসভা ব'ৰ্ডৰ এজন ৱাৰ্ড আয়ুক্তই ইঅ'ক ইংগিত দি ক'লে যে তেওঁৰ ওচৰত কাষৰ চহৰখনত অনুষ্ঠিত হ'বলগীয়া সুনামধন্য ফুটবল প্ৰতিযোগিতাখনৰ চূড়ান্ত খেলৰ বাবে বিনামূলীয়া ভিআইপি টিকট আছে আৰু তেওঁক মেচখনত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনায়। এজন উৎসুক অনুৰাগী হোৱাৰ বাবে তেওঁ নিমন্ত্ৰণটো সহজেই গ্ৰহণ কৰিলে। যেতিয়া ইঅ'জন ষ্টেডিয়ামত উপস্থিত হয়, তেতিয়া তেওঁক ৱাৰ্ড আয়ুক্ত আৰু এজন স্থানীয় ব্যৱসায়ীয়ে আদৰণি জনায়। ৱাৰ্ড আয়ুক্তগৰাকীয়ে জনোৱা মতে ব্যৱসায়ীজন প্ৰতিযোগিতাখনৰ অন্যতম পৃষ্ঠপোষক আৰু ইয়াৰ বাবেই তেওঁ বিনামূলীয়া ভিআইপি টিকট লাভ কৰিছে। পৌৰসভা ব'ৰ্ডে ব্যৱসায়ীজনৰ সৈতে চহৰখনৰ বাবে সংহত আৱৰ্জনা নিষ্কাশন ব্যৱস্থাৰ নতুন চুক্তিৰ আলোচনা কৰি আছিল। যেতিয়া ব্যৱসায়ীজনে তেওঁৰ কাষত বহিছিল, ইঅ'ই বিশেষকৈ অস্বস্তি অনুভৱ কৰিছিল কাৰণ তেওঁৰ চহৰৰ কেইবাজনো নাগৰিকো দৰ্শক হিচাপে মেচখনত উপস্থিত

SPM IAS ACADEMY
SHAPING BRILLIANCE

আছিল। এইটো যে এটা সামাজিক অনুষ্ঠান, ব্যৱসায়ৰ কথা কোৱাৰ সুযোগ নহয়, সেই কথা স্পষ্ট কৰাৰ প্ৰয়াসেৰে ইঅ'ই ৰাৰ্ডৰ আয়ুক্ত আৰু ব্যৱসায়ী দুয়োজনকে ক'লে যে তেওঁ চুক্তিখন বা চহৰখনৰ সৈতে জড়িত আন কোনো বিষয়ৰ বিষয়ে ইয়াত আলোচনা কৰাৰ কোনো পৰিকল্পনা নাই। এইখিনি কোৱাৰ পিছতো চহৰখনৰ আৱৰ্জনা নিষ্কাশনৰ যান্ত্ৰিকীকৰণৰ নতুন উদ্ভাৱনৰ বিষয়ে এক ব্যাপক আলোচনাত ইঅ'জনে ভাগ ল'ব লগাত পৰিল। খেলৰ শেষত ইঅ'ই ঘৰলৈ লৰালৰিকৈ গৈ ৰাৰ্ড আয়ুক্তলৈ এখন চিঠি লিখি টিকটৰ খৰচ দিবলৈ বিচাৰিলে যাতে তেওঁ ব্যৱসায়ীজনক ধনখিনি ঘূৰাই দিব পাৰে। ৰাৰ্ড আয়ুক্তই উত্তৰ দিলে যে তেওঁলোকৰ কোনো খৰচ হোৱাই নাই—কিয়নো ই আছিল বিনামূলিয়া টিকট যিটো ব্যৱসায়ীজনে পৃষ্ঠপোষক হিচাপে লাভ কৰা বিশেষাধিকাৰৰ অংশহে মাথোন। ইঅ'জনে ব্যৱসায়ীজনৰ সৈতে তেওঁক এনে পৰিস্থিতিত পেলোৱাৰ বাবে ৰাৰ্ড আয়ুক্তজনে বিশ্বাসঘাতকতা কৰা বুলি অনুভৱ কৰিছিল আৰু টিকটৰ মূল্য দিবলৈ কৰা প্ৰচেষ্টা বিফল হোৱাত হতাশ হৈছিল।

(ক) মেচৰ সময়ত তেওঁ ক'ত বহি আছে সেই কথা গম পোৱাৰ লগে লগে ইঅ'ই খেলখন পৰিত্যাগ কৰিব লাগিছিল- নেকি?

(খ) ইঅ'ই কি কি নৈতিক সমস্যাৰ সন্মুখীন হৈছিল?

(গ) এতিয়া তেওঁ পৰিস্থিতিটোৰ পৰা নিজকে মুক্ত কৰি জনসাধাৰণৰ আস্থা ঘূৰাই অনাৰ বাবে কেনেকৈ আগবাঢ়িব লাগিব?

(২৫০টা শব্দৰ ভিতৰত ব্যাখ্যা কৰক)

17. What do you mean by the term 'women empowerment'?

In India, women are revered in the form of goddesses—Durga as the embodiment of power (Shakti), Lakshmi as the goddess of wealth and prosperity, and Saraswati as the goddess of knowledge and learning. Yet, despite this deep cultural and religious reverence, issues such as female foeticide, gender discrimination and crime against women continue to remain alarmingly high, as reflected in government data.

How do you explain this contradiction between the veneration of women in faith and their treatment in society? Discuss the underlying social, cultural, economic and institutional factors responsible for this dualism in belief and practice. (Answer in *250* words) 20

'মহিলা সবলীকৰণ' শব্দদ্বয়ে কি বুজাব বিচাৰিছে?

ভাৰতত নাৰীক দেৱী ৰূপত শ্ৰদ্ধা কৰা হয়—শক্তিৰ মূৰ্তি হিচাপে দুৰ্গা, ধন-সম্পত্তি আৰু সমৃদ্ধিৰ দেৱী হিচাপে লক্ষ্মী, আৰু জ্ঞান আৰু শিক্ষাৰ দেৱী হিচাপে সৰস্বতী পূজ্য। এই গভীৰ সাংস্কৃতিক আৰু ধৰ্মীয় শ্ৰদ্ধাৰ বাতাবৰণৰ সত্ত্বেও মহিলা ভ্ৰূণহত্যা, লিংগ বৈষম্য আৰু নাৰীৰ বিৰুদ্ধে অপৰাধৰ দৰে বিষয়সমূহ আতংকজনকভাৱে বৃদ্ধি হৈয়েই আছে আৰু ই চৰকাৰী তথ্যত প্ৰতিফলিত হৈছে।

এফালে বিশ্বাসত নাৰীৰ প্ৰতি থকা এই শ্ৰদ্ধা কিন্তু আনফালে সমাজত তেওঁলোকৰ প্ৰতি কৰা ব্যৱহাৰৰ মাজত থকা এই বৈপৰীত্যক আপুনি কেনেকৈ ব্যাখ্যা কৰিব? বিশ্বাস আৰু ব্যৱহাৰৰ এই দ্বৈতবাদৰ বাবে দায়ী অন্তৰ্নিহিত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু প্ৰতিষ্ঠানিক কাৰকসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

18. According to a NITI Aayog report, the number of government schools in India declined from 11·07 lakh in 2014–15 to 10·13 lakh in 2024–25, indicating the closure or merger of nearly 94000 schools, at an average rate of approximately 25 schools per day.

Assuming that you have the administrative autonomy to initiate reforms, what policy recommendations and innovative measures would you propose to restore public confidence in government schools and improve the quality, accessibility, and enrolment in public education? Explain. (Answer in *250* words) 20

নীতি আয়োগৰ এক প্ৰতিবেদন অনুসৰি ভাৰতত চৰকাৰী বিদ্যালয়ৰ সংখ্যা ২০১৪-১৫ চনত ১১.০৭ লাখৰ পৰা ২০২৪-২৫ চনত ১০.১৩ লাখলৈ হ্ৰাস পাইছে, যিয়ে প্ৰায় ৯৪০০০ বিদ্যালয় বন্ধ বা একত্ৰীকৰণৰ ইংগিত দিয়ে। অৰ্থাৎ গড়ে প্ৰতিদিনে প্ৰায় ২৫খন বিদ্যালয় বন্ধ বা একত্ৰিত হৈছে।

যদি আপোনাৰ সংস্কাৰ আৰম্ভ কৰাৰ বাবে প্ৰশাসনিক স্বায়ত্তশাসনৰ ক্ষমতা থাকে, চৰকাৰী বিদ্যালয়সমূহৰ ওপৰত জনসাধাৰণৰ আস্থা ঘূৰাই আনিবলৈ আৰু ৰাজহুৱা শিক্ষাৰ গুণগত মান, সুলভতা আৰু নামভৰ্তি উন্নত কৰাৰ বাবে আপুনি কি কি নীতিগত পৰামৰ্শ আৰু উদ্ভাৱনী ব্যৱস্থাৰ প্ৰস্তাৱ দিব? ব্যাখ্যা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

19. Do you think there is really a lack of work culture in Assam? If so, why? What measures would you suggest to improve work culture in the State? If you go outside the State in various parts of India, you find many youths from Assam, working in restaurants and other places even though cost of living is higher than in his/her native place. What are the reasons behind this? Explain.

(Answer in *250* words) 20

অসমত সঁচাকৈয়ে কৰ্ম সংস্কৃতিৰ অভাৱ বুলি আপুনি ভাবেনে? যদি ভাবে, ইয়াৰ কাৰণবোৰ কি কি? ৰাজ্যখনত কৰ্ম সংস্কৃতি উন্নত কৰাৰ বাবে আপুনি কি কি ব্যৱস্থাৰ পৰামৰ্শ দিব? যদি আপুনি বহিঃৰাজ্যৰ বিভিন্ন ঠাইলৈ যায়, তেন্তে আপুনি বহুতো অসমৰ যুৱক-যুৱতীক ৰেষ্টুৰেণ্ট আৰু অন্যান্য ঠাইত কাম কৰা দেখা পায় যদিও সেই ঠাইবিলাকত জীৱন-যাপনৰ খৰচ তেওঁলোকৰ জন্মস্থানতকৈ বেছি। ইয়াৰ আঁৰৰ কাৰণসমূহ কি কি? ব্যাখ্যা কৰক।

(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★